জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২২/২০২১

# মহাশিল্পী জ্যোতিপ্ৰসাদ আগৰৱালা শীৰ্ষক গ্ৰন্থ উন্মোচন কৰিলে মুখ্যমন্ত্ৰী সোণোৱালে

## ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই তেওঁৰ সাহিত্যৰাজিৰ মাধ্যমেদি গভীৰ মানৱ দৰ্শন প্ৰকাশ কৰি গৈছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১০ জানুৱাৰী ঃ** ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ জীৱন আৰু সৃষ্টিৰাজিৰ অৱলোকনেৰে ওম প্ৰকাশ গাট্টানীয়ে ৰচনা কৰা 'মহাশিল্পী জ্যোতিপ্ৰসাদ আগৰৱালা' শীৰ্ষক গ্ৰন্থৰ অসমীয়া আৰু হিন্দী সংস্কৰণ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি তেওঁৰ চৰকাৰী বাসভৱনত উন্মোচন কৰে।

এই উপলক্ষে বক্তব্য প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে গ্ৰন্থকাৰ ওম প্ৰকাশ গাট্টানীৰ পদক্ষেপৰ শলাগ লয়। মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে যে গ্ৰন্থখনে যুগজয়ী শিল্পীগৰাকীৰ জীৱন আৰু কৃতি সম্পৰ্কে দেশবাসীক অৱগত কৰাত সফল হ'ব। গ্ৰন্থখনৰ ইংৰাজী সংস্কৰণ প্ৰকাশৰ ওপৰত মুখ্যমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে এই গ্ৰন্থখন ইংৰাজী ভাষাত ৰচিত হ'লে ৰূপকোঁৱৰ গৰাকীৰ মানৱ দৰদী আৰু মূল্যবোধ সম্পন্ন চিন্তা-চৰ্চাই বিশ্ব ব্যাপী পৰিচয় লাভ কৰিব। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই তেওঁৰ সাহিত্যৰাজিৰ মাধ্যমেদি গভীৰ মানৱ দৰ্শন প্ৰকাশ কৰি গৈছে। এই কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে 'বিশ্ব বিজয় ন জোৱান'ৰ গীত ৰচনা কৰি তেওঁ অসমীয়া যুৱকক বিশ্ব জয়ৰ আহ্বান জনোৱাৰ লগতে দেশপ্ৰেমৰ ভাব গভীৰ কৰিছে। প্ৰকৃতিৰ প্ৰতি ৰূপকোঁৱৰৰ বিশেষ টান থকাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে গছ-গছনি, পাহাৰ-পৰ্বতকে ধৰি জীৱকূলৰ সংৰক্ষণ আৰু সংবৰ্দ্ধনৰ বাবে ৰূপকোঁৱৰে তেওঁৰ সাহিত্যৰাজিৰ মাধ্যমেদি আহ্বান জনাই গৈছে। 'গছে গছে পাতি দিলে ফুলৰে শৰাই' শীৰ্ষক গীতৰ জৰিয়তে ৰূপকোঁৱৰে প্ৰকৃতিৰ বিনন্দীয়া ৰূপ-গুণৰ কথা কোৱাৰ লগতে প্ৰকৃতি সংৰক্ষণৰ প্ৰয়োজনীয় বাৰ্তাও দি গৈছে।

সম্প্ৰতি প্ৰগতিৰ ধামখুমীয়াত প্ৰকৃতি সংৰক্ষণৰ প্ৰতি মানৱ সমাজে প্ৰয়োজনীয় গুৰুত্ব দিয়া নাই। যাৰ ফলত সমগ্ৰ মানৱ জাতীয়ে গভীৰ সংকটৰ মুখলৈ গতি কৰিছে। এই মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে পৰিৱেশৰ অনিষ্ট সাধন কৰি লাভ কৰা প্ৰগতি মানৱ জাতিৰ বাবে ইতিবাচক হ'ব নোৱাৰে। প্ৰকৃতি ধংস কৰি সম্ভৱ কৰা উন্নয়ন কাম্য নহয় আৰু সেয়েহে বিকাশৰ যাত্ৰাত প্ৰকৃতি আৰু পৰিৱেশৰ মাজত সদায় ভাৰসাম্য থকাটো উচিত। উঠি অহা প্ৰজন্ম প্ৰযুক্তিৰ প্ৰতি অধিক ধাউতিশীল হৈছে। প্ৰকৃতিৰ প্ৰতি থকা দায়িত্ব তেওঁলোকে উপলব্ধি কৰিব পৰা নাই। সেয়েহে অভিভাৱক আৰু পিতৃ-মাতৃসকলে এই দিশত প্ৰয়োজনীয় পদক্ষেপ লোৱাটো জৰুৰী বুলি মুখ্যমন্ত্ৰীয়ে কয়।

আজি গ্ৰন্থ উন্মোচনী অনুষ্ঠানত গ্ৰন্থখনৰ লেখক ওম প্ৰকাশ গাট্টানীৰ লগতে মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, গ্ৰন্থখনৰ প্ৰকাশক মনোজ গোস্বামী, ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ কন্যা সত্যশ্ৰী দাস প্ৰমুখ্যে কেইবাগৰাকীও ব্যক্তি উপস্থিত থাকে।

**বীঃগঃ**

১০/০১/২০২১